# অধ্যায় - ২০

# চলন আৰু গতি


---

**পঞ্চম গোট**

## অনুশীলনীৰ প্ৰশ্নোওৰ :-

প্ৰশ্ন ১: বিভিন্ন অংশ দেখুৱাই এক পেশীৰ ছাৰকোমিয়াৰৰ চিত্ৰ আঁকা ।

উত্তৰ :-




প্ৰশ্ন ২: পেশী সংকোচনৰ বিসপৰ্ন সূত্ৰৰ তত্বৰ সংজ্ঞা লিখা ।

উত্তৰ :- এই তত্বৰ দ্বাৰা পশী সংকোচনৰ প্ৰক্ৰিয়াটো সঠিক ভাৱে বৰ্ণনা কৰিব পৰা যায় । এই তত্বমতে পাতল বা ক্ষীণ তন্ত্ৰবোৰে যেতিয়া ডাঠ বা শকত তন্ত্ৰবোৰৰ ওপৰেৰে বিসপৰ্ন কৰে তেতিয়াই পেশী তন্ত্ৰবোৰৰ সংকোচন ঘটে । কোনো প্ৰেৰক স্নায়ুৰ জৰিয়তে কেন্দ্ৰীয় স্নায়ুতন্ত্ৰই

যেতিয়া এক সংকেত পঠিয়াই তেতিয়াই পেশী সংকোচন প্ৰক্ৰিয়াটো আৰম্ভ হয় ।

প্ৰশ্ন ৩: সঁচা নে মিছা লিখা । যদি মিছা হয় তেন্তে উক্তিটো সঁচালৈ পৰিৱৰ্তন কৰা ।

(ক) পাতল তন্ত্ৰত একটিন থাকে ।

উত্তৰ :- সঁচা ।

(খ) ৰেখিত পেশীৰ H - zone এ ডাঠ আৰু পাতল দুয়োবিধ তন্ত্ৰকে নিৰ্দেশায় ।

উত্তৰ :- মিছা ।

(গ) মানৱ কংকালত ২০৬ ডাল হাড় থাকে ।

উত্তৰ :- সঁচা ।

(ঘ) মানৱ দেহত ১১ যোৰ কামিহাড় আছে ।

উত্তৰ :- মিছা ।

(ঙ) উৰোস্থী দেহৰ অংকীয়ফালে থাকে ।

উত্তৰ :- সঁচা

প্ৰশ্ন ৪: পাৰ্থক্য লিখা —

প্ৰশ্ন : (ক) একটিন আৰু মায়'ছিন ।

উত্তৰ :- একটিন —

(১) একটিনৰ সূত্ৰিকাবোৰ পাতল সূত্ৰিকাবোৰ ডাঠ ।

(২) একটিনবিলাক একযোজী প্ৰ'টিন ।
মায়'ছিন —

(১) একটিনৰ তুলনাত মায়'ছিন ক্ষীণ বা শকত ।

(২) মায়'ছিন বিলাক বহুযোজী প্ৰ'টিন ।

প্ৰশ্ন : (থ) ৰঙা আৰু বগা পেশী ।

উত্তৰ :- ৰঙা পেশী —

(১) ৰঙা পেশীবোৰৰ মায়'গ্লবিন ধাৰণ কৰিব পৰা ক্ষমতা বেছি ।

(২) এইবোৰ পেশীত মাইটকন্দ্ৰীয়াৰ সংখ্যা বহুত বেছি ।

(৩) ৰঙা পেশীবোৰ সবাত পেশী ।
বগা পেশী —

(১) বগা পেশীবোৰৰ মায়'গ্লবিন ধাৰণ কৰিব পৰা ক্ষমতা কম ।

(২) এনেবোৰ পেশীত মাইট'কন্দ্ৰীয়াৰ সংখ্যা অতি তাকৰ ।

(৩) বগা পেশীবোৰ অবাত পেশী ।

প্ৰশ্ন ৫: স্তম্ভ 1 ৰ সৈতে স্তম্ভ 2 মিলাই লিখা —

| **স্তম্ভ 1** | **স্তম্ভ 2** |
| --- | --- |
| (১) মিহি পেশী | (১) মায়'গ্লবিন |

(২) ট্ৰপমায়ছিন (২) পাতল তন্তকা

(৩) ৰঙা পেশী (৩) জোঁৰা

(৪) লাওখোলা (৪) অনৈচ্ছিক

উত্তৰ :- **<u>স্তম্ভ 1</u>** **<u>স্তম্ভ 2</u>**

(১) মিহি পেশী (১) অনৈচ্ছিক

(২) ট্ৰপমায়ছিন (২) জোঁৰা

(৩) ৰঙা পেশী (৩) মায়'গ্লবিন

(৪) লাওখোলা। (৪) পাতল তন্ত্ৰকা

প্ৰশ্ন ৬: মানৱ দেহৰ কোষবোৰে কি কি ধৰণৰ গতি প্ৰদৰ্শন কৰে ?

উত্তৰ :- মানৱ দেহৰ কোষবোৰে তিনিধৰণৰ গতি প্ৰদৰ্শন কৰে । সেইবোৰ হ'ল —

(১) এমিবীয় গতি ,

(২) ৰোমক গতি আৰু

(৩) পেশীয় গতি ।

প্ৰশ্ন ৭: এটা কংকাল পেশী আৰু এটা হৃদপেশী তুমি কেনেকৈ পাৰ্থক্য দেখুৱাবা ।

উত্তৰ :- কংকাল পেশীবোৰ ঐচ্ছিক পেশী । এই পেশীবোৰ নিজ ইচ্ছামতে লৰচৰ কৰিব পাৰে । অৰ্থাৎ ইহঁতৰ কাৰ্য্য প্ৰণালী স্নায়ুতন্ত্ৰই নিয়ন্ত্ৰণ কৰে ।

আনহাতে , হৃদপেশীবোৰ অনৈচ্ছিক পেশী এই পেশীবোৰ নিজ ইচ্ছামতে লৰচৰ কৰিব নোৱাৰে অৰ্থাৎ ইহঁতৰ কাৰ্য্য প্ৰণালী স্নায়ুতন্ত্ৰই নিয়ন্ত্ৰণ নকৰে ।ওপৰৰ যুক্তিৰ পৰা কংকাল পেশী আৰু হৃদপেশীৰ মাজৰ পাৰ্থক্য কৰা পৰে ।

প্ৰশ্ন ৮: তলত দিয়াবোৰৰ মাজত কি সন্ধি দেখা যায় লিখা —

(ক) এটলাছ / এক্সিছ

উত্তৰ :- ধুৰাগ্ৰীৱা কীলক সন্ধি ।

(খ) মনিবন্ধিকা / বুঢ়া আঙুলিৰ কৰতলাস্থি

উত্তৰ :- পল্যান সন্ধি ।

(গ) অংগুলাস্থিবোৰৰ মাজত

উত্তৰ :- ক'ণ্ডিলাইড সন্ধি ।

(ঘ) উদ্ধস্থি / এচেটাবুলাম

উত্তৰ :- বল্ আৰু চকেট সন্ধি ।

(ঙ) লাওঁখোলাৰ মাজত

উত্তৰ :- ফিবৰাচ সন্ধি ।

(চ) শ্ৰেণী বেষ্টনীৰ পিউবিক অস্থিবোৰৰ মাজত

উত্তৰ :- কাৰ্টিলেজেনাচ্ সন্ধি ।

প্ৰশ্ন ৯: খালীঠাই পূৰ কৰা :

(ক) সকলোবিলাক স্তন্যপায়ী ( কিছুমানৰ বাহিৰে ) প্ৰাণীৰ ------ গ্ৰীৱা কশেৰুকা থাকে ।

উত্তৰ :- সাতডালকৈ ।

(খ) মানুহৰ প্ৰতিখন পাদতে থকা অংগুলস্থিৰ সংখ্যা ------ ।

উত্তৰ :- চৈধ্য ।

(গ) পেশীতন্ত্ৰৰ পাতল তন্তুকাত ২ টা "F" action থাকে আৰু লগত থকা আন দুটা প্ৰ'টিন হ'ল ------ আৰু ------ ।

উত্তৰ :- ট্ৰপ'মায়'ছিন , ট্ৰপ'নিন ।

(ঘ) এটা পেশী তন্তত $Ca^{++}$ ------ জমা হৈ থাকে ।

উত্তৰ :- ছাৰকোপ্লাজমিক ৰেটিকুলামত ।

(ঙ) ------ আৰু ------ যাৰ কামিহাড়ক প্লৱমান কামিহাড় বোলে ।

উত্তৰ :- ১১ আৰু ১২ ।

(চ) মানুহৰ লাওখোলাটো ------ হাড়েৰে তৈয়াৰী ।

উত্তৰ :- আঠডাল ।